*Total number of printed pages-2*

**FYUG/Sem-4/AM-MN1**

# 2026
## (Regular)
## Assamese (Minor)
## Paper Code : AM-MN-4214
### Paper Name : আধুনিক অসমীয়া গীতি সাহিত্য

***Time : 2½ hours*** ***Full Marks : 60***

১। এটা শব্দ বা এটা বাক্যত উত্তৰ লিখা ঃ ১×৭=৭

ক) অসমীয়া গীতি সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন কি ?

খ) প্ৰথম অসমীয়া চলচ্চিত্ৰখনৰ নাম কি ?

গ) মোৰ অস্থিৰে মই ৰছিছোঁ বজ্ৰগান ______ মোৰ জাগিছে ছন্দ । (খালী ঠাই পূৰ কৰা)

ঘ) ‘অ' অসমীয়া ডেকা দল' শীৰ্ষক গীতত উল্লেখিত যি কোনো এখন গ্ৰন্থৰ নাম লিখা ।

ঙ) বিষ্ণু প্ৰসাদ ৰাভাই কোনটো ৰাজনৈতিক মতবাদত বিশ্বাস কৰিছিল ?

চ) নৰকান্ত বৰুৱাৰ ‘নিয়ৰৰে ফুল এপাহ ফুলিল' শীৰ্ষক গীতটিত পোনপ্ৰথমে কোনগৰাকী শিল্পীয়ে কণ্ঠ নিগৰাইছিল ?

ছ) ‘হে দোলা' শীৰ্ষক গীতটোত দোলাৰ ভিতৰত কিহে তিৰ্‌বিৰাই থকা বুলি কোৱা হৈছে ?

২। চমুকৈ উত্তৰ লিখা ঃ ২×৪=৮

ক) গীতি কবিতাৰ দুটা বিশেষত্ব উল্লেখ কৰা ।

খ) অসমীয়া আধুনিক গীতৰ প্ৰথম পুথিখনৰ নাম কি আৰু কোনে ৰচনা কৰিছিল ?

গ) আধুনিক অসমীয়া গীতৰ প্ৰচাৰত বিশেষ ভূমিকা লোৱা যি কোনো দুটা প্ৰযুক্তিগত মাধ্যমৰ নাম লিখা ।

ঘ) নৰকান্ত বৰুৱাক কোনখন গ্ৰন্থৰ বাবে, কিমান চনত ‘সাহিত্য অকাডেমি' বঁটাৰে বিভূষিত কৰা হৈছিল ?

*Contd..*

৩। চমুটোকা লিখা *(যিকোনো তিনিটা)* ঃ ৫×৩=১৫

ক) অসমীয়া আধুনিক গীতৰ প্ৰচাৰ আৰু প্ৰসাৰত আকাশবাণীৰ ভূমিকা ।

খ) জ্যোতি সংগীতৰ সুৰৰ বিশেষত্ব ।

গ) বিষ্ণুপ্ৰসাদ ৰাভাৰ গীত আৰু সংগ্ৰামী চেতনা ।

ঘ) আধুনিক অসমীয়া গীতি সাহিত্যলৈ ভূপেন হাজৰিকাৰ অৱদান ।

ঙ) 'বহুদিন বকুলৰ গোন্ধ পোৱা নাই' গীতটোৰ অন্তৰ্নিহিত তাৎপৰ্য ।

চ) নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ ভাষা ।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

ক) গীতি সাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰি এটি প্ৰবন্ধ প্ৰস্তুত কৰা ।

খ) অসমীয়া আধুনিক গীতৰ উত্তৰণত জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্থান নিৰ্ণয় কৰি এটি নিবন্ধ যুগুত কৰা ।

গ) জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ মাজেৰে বৈপ্লৱিক চেতনা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা ।

ঘ) নৱকান্ত বৰুৱাৰ 'নিয়ৰৰে ফুল এপাহ ফুলিল' শীৰ্ষক গীতটোৰ ভাৱবস্তু আৰু কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰি দেখুওৱা ।

ঙ) ভূপেন হাজৰিকাৰ 'হে দোলা' শীৰ্ষক গীতটোৰ মাজেৰে মানৱতাৰ ধ্বনি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা ।

চ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'সন্ধিয়াৰ আকাশত বগলী উৰে' শীৰ্ষক গীতটোৰ মাজেৰে নাৰীমনৰ প্ৰকাশ কেনেদৰে ঘটিছে, আলোচনা কৰা ।

■■■